DAILY ASSAM

# ৯। নির্দেশাত্মক প্রত্যয়
## (Enclitic Definitives)

৯ ঃ ১ কোনো বস্তুৰ আকৃতি, প্ৰকৃতি, লিংগ আদি বুজাবলৈ শব্দৰ পিছত কিছুমান শব্দ বা শব্দাংশ ব্যৱহাৰ কৰা হয়। ইংৰাজী 'The Definite Article'ৰ দৰে অৰ্থ প্ৰকাশক এই প্ৰত্যয়বোৰ বিশেষ্য, সৰ্বনাম (প্ৰথম আৰু দ্বিতীয় পুৰুষৰ সৰ্বনামৰ বাহিৰে) আৰু সংখ্যাবাচক শব্দৰ পিছত বহি নিৰ্দিষ্টকৈ বা বিশেষকৈ বুজাই দিয়ে। এনেকৈ শব্দৰ পিছত সেই শব্দই বুজোৱা বস্তু বা প্ৰাণীৰ আকৃতি, প্ৰকৃতি, লিংগ আদি নিৰ্দিষ্টকৈ বুজাই দিয়া শব্দ বা শব্দাংশবোৰকেই নিৰ্দেশক বা নিৰ্দেশাত্মক প্ৰত্যয় (Enclitic Definitives) বোলে। অসমীয়া ভাষাৰ ইয়ো এটি অন্যতম বৈশিষ্ট্য।

৯ ঃ ২ প্ৰাচীন যুগৰে পৰা এনেকুৱা নিৰ্দেশক প্ৰত্যয় ব্যৱহাৰ হৈ আহিছে। তলত নিৰ্দেশক প্ৰত্যয়বোৰ উল্লেখ কৰা হ'ল।

**(১) কণ-ক্ষুদ্ৰাৰ্থে কণি ঃ** সাধাৰণতে ক্ষুদ্ৰত্বৰ ওপৰত জোৰ দি মৰমৰ পৰিমাণ বুজাবলৈ কণ, কণি বিশেষ্যৰ পিছত ব্যৱহাৰ হয়। যথা, ল'ৰাকণ, পোৱালিকণ, মৰমকণি।

**(২) কোছা ঃ** দীঘল, সৰু গোটৰ বস্তুৰ সমষ্টি হ'লে কোছা ব্যৱহাৰ হয়। বিশেষ্য বা সংখ্যাবাচক শব্দৰ পিছত বহে। যেনে,

ইকৰাকোছা, চুলিকোছা, ঘাঁহকোছা, দুকোছা ইকৰা, একোছা চুলি ইত্যাদি।

**(৩) খন-ক্ষুদ্ৰাৰ্থে খনি ঃ** বহল আৰু চেপেটা পাতল ধৰণৰ বস্তুবাচক বিশেষ্য শব্দৰ পিছত আৰু এনে বস্তুৰ সংখ্যাবাচক শব্দৰ পিছত খন, খনি ব্যৱহাৰ হয়। যেনে,

কিতাপখন, বহীখন, চালনীখন, ঢাৰিখন, নৈখন, নাওখন, কিতাপখনি, দুখন কিতাপ, এখন নৈ। পুৰণি অসমীয়াত খান, খানি ব্যৱহাৰ হৈছিল। ৰথখান, কন্যাখানি।

**(৪) খ'ৰ ঃ** ডাল শব্দ ব্যৱহাৰ হোৱা ঠাইত নামনি অসমত ব্যৱহাৰ হয়। যেনে,

সাপখ'ৰ, জৰিখ'ৰ, চাকিখ'ৰ।

**(৫) খিলা ঃ** চেপেটা, পাতল ধৰণৰ বস্তু বুজোৱা শব্দ আৰু তেনে বস্তুক বুজোৱা সংখ্যাবাচক শব্দ বা সৰ্বনাম শব্দৰ পিছত বহে।

কাগজখিলা, এখিলা কাগজ, সেইখিলা কাগজ, পাণখিলা, পাতখিলা।

**(৬) গছ, গছি ঃ** দীঘল আৰু সহজে ভাঁজ খাব পৰা বস্তুবাচক শব্দৰ পিছত ব্যৱহাৰ হয়। যথা,

ডোলগছ, বটিয়াগছ, বন্তিগছি, চাকিগছি, চাকিগছ।

**(৭) গৰাকী :** পুং-লিংগ আৰু স্ত্ৰী-লিংগ উভয়তে মানুহ বুজোৱা শব্দৰ পিছত সম্মান বুজাবলৈ ব্যৱহাৰ হয়। তেনে সম্মানী মানুহক বুজাবলৈ ব্যৱহাৰ হোৱা সংখ্যাবাচক বা সৰ্বনাম শব্দটো ব্যৱহাৰ হয়। যেনে,

নেতাগৰাকী, তিৰোতাগৰাকী, এগৰাকী তিৰোতা, সেই গৰাকী নেতা, ইত্যাদি।

**(৮) গোট :** প্ৰাণীবাচক শব্দৰ পিছত ব্যৱহাৰ হয়। যেনে, মানুহগোট, পশুগোট।

**(৯) চটা, ক্ষুদ্ৰাৰ্থে চুটি :** দীঘল, বহল, পাতল বস্তুক বুজাবলৈ ব্যৱহাৰ হয়। যেনে,

বাঁহচটা, পাটচটা।

**(১০) জন, জনা, স্ত্ৰী-জনী :** বিশেষ্য, সৰ্বনাম আৰু সংখ্যাবাচক শব্দৰ পিছত মানুহ বুজাবলৈ ব্যৱহাৰ হয়। পুং-লিংগত জন, উভয়-লিংগত জনা আৰু স্ত্ৰী-লিংগত জনী ব্যৱহাৰ হয়। যেনে,

মানুহজন– মানুহজনী, তিৰোতাজনী, এজন ল'ৰা, এজনী ছোৱালী, ৰাজাজনা, ৰাণীজনা, গোসাঁইজনা, বৰজনা ৰাণী।

**(১১) টা, টো, টি :** সংখ্যাবাচক শব্দৰ পিছত টা ব্যৱহাৰ হয়। যেনে, এটা, দুটা, এশটা।

মানুহটো, সেইটো, গৰুটো, ল'ৰাটি, এইটি।

**(১২) টাঁৰ, টাঁৰি :** থুপ হৈ থকা দীঘল বস্তুক বুজাবলৈ ব্যৱহাৰ হয়। যেনে, চুলিটাঁৰ, চুলিটাঁৰি, বাঢ়নিটাঁৰ।

**(১৩) ডালি, ডাল :** দীঘল গোটা বস্তু বুজাবলৈ ব্যৱহাৰ হয়। বাঁহডাল, কাঠডাল। ক্ষুদ্ৰাৰ্থত ডালি ব্যৱহাৰ হয়। কেতিয়াবা নিন্দাৰ্থত ডাল ব্যৱহাৰ হয়। যেনে, মানুহডাল, নেতাডাল, গৰাকীডাল, ঘৰডাল, (এনে ঘৰডালত নাথাকোঁ)।

**(১৪) দোখৰ, দুখৰি, (দ্বিখণ্ড) :** কোনো বস্তুৰ অংশ বিশেষ বুজাবলৈ ডোখৰ ব্যৱহাৰ হয়। যেনে,

কটা মাছৰ অংশ– মাছডোখৰ, কাঠডোখৰ, কাঠডুখৰি।

**(১৫) ধাৰ, ধাৰি :** কোনো বস্তু এটিৰ পিছত এটিকৈ বান্ধি থুপ কৰিলে ধাৰ ব্যৱহাৰ হয়। যেনে,

মণিধাৰ, হাৰধাৰ, এধাৰি মণি, এধাৰি হাৰ।

**(১৬) পাট :** কোনো বস্তু দীঘল, চেপেটা অথচ ঠেক হ'লে পাট ব্যৱহাৰ হয়। যেনে,

ব'ঠাপাট, এপাট ব'ঠা, সেইপাট ব'ঠা। খাপৰপাট, পাঁচপাট খাপৰ। নিন্দাৰ্থত মানুহ বুজোৱা শব্দৰ পিছতো ব্যৱহাৰ হয়। যেনে,

এইপাট ল'ৰাৰ অত্যাচাৰ সহ্য নহয়। এই ল'ৰাপাটক নেদেখিছ? যিপাটহে ল'ৰা।

**(১৭) ফেৰা, ফেৰি :** কম পৰিমাণ বুজাবলৈ বস্তুবাচক বিশেষ্যৰ পিছত ফেৰা বা ফেৰি ব্যৱহাৰ হয়। যেনে,

DAILY ASSAM



এফেৰা লোণ, এফেৰি লোণ, লোণফেৰা, গুৰফেৰা ইত্যাদি।

**(১৮) লদা ঃ** থুপ হৈ থকা বস্তুৰ অংশ বিশেষক বুজাবলৈ লদা ব্যৱহাৰ হয়। যেনে,

এলদা গুৰ, গুৰলদা, মাটিলদা, গোবৰলদা।

নির্দেশাত্মক প্ৰত্যয়বোৰৰ বিশেষ্য পদৰ পিছত ব্যৱহাৰ হ'লে প্ৰত্যয়টোৰ ভাব অনুযায়ী বস্তুটোৰ আকৃতি, স্বভাৱ বা লিংগৰ সম্ভেদ পাব পাৰি। তেনে বিশেষ্য শব্দক বুজোৱা সৰ্বনাম বা সংখ্যাবাচক শব্দটোৰ পিছত বস্তুৰ আকৃতি, প্ৰকৃতি লিংগ অনুযায়ী হ'ব পৰা নির্দেশাত্মক প্ৰত্যয়হে ব্যৱহাৰ হয়। সংখ্যাবাচক শব্দৰ পিছত ব্যৱহাৰ হ'লে বস্তুটোৰ জাতি বুজায়, নিৰ্দিষ্ট বস্তুটোক বা বস্তুবিলাকক নির্দেশ নকৰে। যেনে,

বাঁহ এডাল, এডাল বাঁহ। বাঁহ শ্ৰেণীৰ এডাল, একতকৈ বেছি বুজোৱা সংখ্যা শব্দৰ পিছত প্ৰত্যয় থাকিলে আৰু বিশেষ্যৰ আগত বহিলে অনিৰ্দিষ্ট ভাবকহে বুজায়। কিন্তু বিশেষ শব্দটোৰ পিছত বহিলে নিৰ্দিষ্টকৈও বুজায়। যেনে,

দুখন কিতাপ, কিতাপ শ্ৰেণীৰ দুখন (অনিৰ্দিষ্ট)

কিন্তু কিতাপ দুখন আন। কিতাপ শ্ৰেণীৰ অনিৰ্দিষ্ট দুখন নাইবা আগতে আনি থোৱা বা উল্লিখিত নিৰ্দিষ্ট কিতাপ দুখনক বুজায়।

## অনির্দেশক প্ৰত্যয়
## (Indefinitives)

**৯ ঃ ৩** কিছুমান শব্দ বা শব্দাংশ প্ৰত্যয় হিচাপে ব্যৱহাৰ কৰি নিৰ্দিষ্টকৈ বুজোৱাৰ দৰে অনিৰ্দিষ্টকৈও বুজায়। ইংৰাজী 'A' Indefinite' Article-ৰ দৰে অসমীয়া অনিৰ্দিষ্টকৈ বুজোৱা এক, এ (এ < ক) ব্যৱহাৰ হয়। যেনে,

পষ + এক = পষেক মাহ + এক = মাহেক,

বছৰ + এক = বছৰেক, শত + এক = শতেক,

একডাল = এডাল।

সংখ্যাবাচক দ্বি, চাৰি শব্দৰ পিছত এক যোগ কৰি a few অৰ্থৰ আন অনির্দেশক প্ৰত্যয় গঢ়া হয়। যেনে,

চাৰি (চত্বাৰি) + এক = চেৰেক, জনচেৰেক,

দ্বি + এক = দিয়েক, গোটাদিয়েক, জনদিয়েক ল'ৰা।

নির্দেশক টা, জন, ডাল, খন আদি প্ৰত্যয়ৰ লগত মান যোগ কৰি ব্যৱহাৰ কৰিলে অনিৰ্দিষ্টকৈ বুজায়। মান অনির্দেশক প্ৰত্যয়। যেনে, কেইটামান টকা, কেইখনমান পুথি, কেইজনমান ল'ৰা, চাৰিটামান ভাত (চাইটামান ভাত), দুটামান কথা, দুডালমান ৰছা, চাৰিজনমান ল'ৰা, কেইজনীমান গাভৰু ইত্যাদি।